# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-MAR-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। যোৰহাট আৰু কাৰ্বি আংলঙত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

২। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ৰ অধীনত ১২ হাজাৰ ৯০০ গৰাকী যুৱক-যুৱতীক দ্বিতীয় কিস্তিৰ ধন প্ৰদান।

৩। অসমত ৰন্ধন গেছৰ ঘৰুৱা চিলিণ্ডাৰৰ নাটনি নহয় বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

৪। উচ্চতম ন্যায়ালয়ৰ দেশত প্ৰথমবাৰৰ বাবে ইচ্ছা মৃত্যুৰ অনুমতি প্ৰদান। **আৰু**

৫। প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত কোকৰাঝাৰ আৰু বৰাক উপত্যকাত ব্যাপক প্ৰস্তুতি।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নৰ দিশত ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ যুৱ সমাজক আহ্বান জনাইছে। ৰাজ্যখনক আৰ্থিক দিশত আগবঢ়াই নিবৰ বাবে যুৱক-যুৱতীসকলক আত্মনিৰ্ভৰ কৰি তোলাৰ বিষয়ত তেওঁ গুৰুত্ব আৰোপ কৰিছে। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ৰ অধীনত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত দ্বিতীয় কিস্তিৰ ধনৰাশি বিতৰণৰ উদ্দেশ্যে আজি আয়োজিত অনুষ্ঠানত তেওঁ এই মত প্ৰকাশ কৰে। তেওঁ আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম পৰ্যায়ৰ অধীনত ১২ হাজাৰ ৯০০ গৰাকী যুৱক-যুৱতীক দ্বিতীয় কিস্তিৰ ধন প্ৰদান কৰে।

গুৱাহাটীৰ এই অনুষ্ঠানৰ পাছতেই মুখ্যমন্ত্ৰীগৰাকী কাৰ্বি আংলঙলৈ যায়। জিলাখনৰ তাৰালাংছ'ত তেওঁ ডিফু কৰ্কট চিকিৎসা কেন্দ্ৰ আৰু চাৰিশৰীয়া খৰছিং টেৰাং ইংজাৰকাপ উৰণ সেতু মুকলি কৰে। তাৰালাংছ'ত ২৭০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা কৰ্কট কেন্দ্ৰটোৰ জৰিয়তে ৰোগীসকলে কৰ্কট ৰোগৰ বিশেষ চিকিৎসা লাভ কৰিব। একেদৰে ২২৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা খৰছিং টেৰাং ইংজাৰকাপ উৰণ সেতুখনৰ জৰিয়তে চহৰখনৰ যানজঁটৰ সমস্যা যথেষ্ট হ্ৰাস পাব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে আন্তঃগাঁথনি উন্নয়নৰ দিশত নতুন দিশৰ সূচনা কৰি দুহেজাৰ ১০৯ কোটি টকা ব্যয় সাপেক্ষ শতাধিক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ৰংছিনা ছাৰপ' আহংজাইত আয়োজিত এই অনুষ্ঠানত তেওঁ ৮১৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা পশ্চিম কাৰ্বি আংলঙৰ চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়, ডিফু টাউন লেক, কাৰ্বি আংলং ক্ৰীড়া সংস্থাৰ বিলাংভেক জলক্ৰীড়া ক্ষেত্ৰকে ধৰি ৫৪টা প্ৰকল্প উদ্বোধন কৰাৰ লগতে এহেজাৰ ২৯৩ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ৫৩টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। জিলাখনৰ লাংৰকুত অসমৰ দ্বিতীয়খন সৈনিক স্কুল নিৰ্মাণৰ বাবেও মুখ্যমন্ত্ৰীগৰাকীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে আধাৰশিলা স্থাপন কৰে। এই বিদ্যালয়খন ৩৬৫ কোটি টকা ব্যয়ৰে তিনিবছৰৰ ভিতৰত নিৰ্মাণ কৰা হ'ব বুলি তেওঁ কয়।

কাৰ্বি আংলঙৰ কাৰ্যসূচী সামৰি মুখ্যমন্ত্ৰীগৰাকী যোৰহাটলৈ ৰাওনা হয়। যোৰহাটত তেওঁ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। বৰুৱা চাৰিআলিত আয়োজিত অনুষ্ঠিত ড০ শৰ্মাই ১৭৮

কোটি টকা ব্যয় সাপেক্ষে নির্মাণ কৰি উলিওৱা মণিৰাম দেৱান-পিয়ালী বৰুৱা উৰণ সেতু উদ্বোধন কৰে। মুখ্যমন্ত্রীগৰাকীয়ে ১৫৯ কোটি টকা ব্যয়ৰে নির্মাণ কৰা স্বৰাজ উদ্যান, ২৫০ কোটি টকা ব্যয়ৰে নির্মাণ কৰা লাচিত মৈদাম স্মাৰক আৰু সাংস্কৃতিক কেন্দ্র, ১৯ কোটি টকা প্রকল্প ব্যয়ৰ যোৰহাট আভিযান্ত্রিক মহাবিদ্যালয়ৰ পুথিভঁৰাল ভৱন, ইনড'ৰ ষ্টেডিয়াম, ২০০ খন বিছনাযুক্ত ছাত্রাৱাস আৰু ১ কোটি টকা ব্যয় সাপেক্ষে নির্মাণ কৰা মইনা পৰীয়া নামঘৰৰ অতিথিশালা উদ্বোধন কৰে। তদুপৰি তেওঁ ১৯ কোটি টকা ব্যয়ৰে নির্মাণ হ'বলগীয়া বৰভেটি প্রাংগণৰ সংহত উন্নয়ন প্রকল্পৰ আধাৰশিলা স্থাপন কৰে।

০০০০০

অসমত ৰন্ধন গেছৰ ঘৰুৱা চিলিণ্ডাৰৰ নাটনি নহয় বুলি মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই মন্তব্য কৰিছে। ইৰান আৰু আমেৰিকা-ইজৰাইলৰ মাজত চলি থকা যুদ্ধৰ পৰিপ্রেক্ষিতত অসমতো ৰন্ধন গেছৰ নাটনি হ'ব বুলি বিভিন্ন সংবাদমাধ্যমত কেইবাদিনো ধৰি বাতৰি প্রকাশ পোৱাৰ মাজতে মুখ্যমন্ত্রীগৰাকীয়ে আজি এই মত প্রকাশ কৰিছে। মুখ্যমন্ত্রী ড০ শর্মাই এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয়, যে ভাৰতলৈ সম্প্রতি ৪০ খন দেশৰ পৰা গেছ অনাৰ ব্যৱস্থা কৰা হৈছে। ৰাছিয়ায়ো ভাৰতলৈ নতুনকৈ গেছ আৰু তেল পঠিওৱাৰ ব্যৱস্থা কৰিছে। প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে দেশত গেছৰ নাটনি হ'বলৈ নিদিয়ে বুলিও তেওঁ কয়।

**বাইট (চি এম)**

০০০০০

বিধানসভা নির্বাচনৰ পৰিপ্রেক্ষিতত ৰাজ্যত  ৰাজনৈতিক দল সমূহৰ তৎপৰতা ক্রমাত বৃদ্ধি হৈছে। কেইবাটাও দলে নির্বাচনৰ বাবে প্রার্থী তালিকাও ঘোষণা কৰিছে। কংগ্রেছ দলে ৪২ গৰাকী প্রার্থীৰ প্রথমখন তালিকা কিছুদিন পূর্বে প্রকাশ কৰে। এ আই ইউ ডি এফ দলে ৯ জনীয়া প্রথমখন প্রার্থী তালিকা প্রকাশ কৰিছে। ৰাইজৰ দলেও ১১ গৰাকী প্রার্থীৰ প্রথম তালিকাখন প্রকাশ কৰিছে। শাসনাধিষ্ঠিত বিজেপিয়ে ১৭ মার্চৰ ভিতৰত প্রার্থী তালিকা প্রকাশ কৰিব বুলি মুখ্যমন্ত্রী ডঃ হিমন্ত বিশ্ব শর্মাই ঘোষণা কৰিছে।

কংগ্রেছ দলে চলিত সপ্তাহতে দ্বিতীয়খন প্রার্থী তালিকা ঘোষণা কৰিব বুলি সাংসদ তথা অসম প্রদেশ কংগ্রেছৰ সভাপতি গৌৰৱ গগৈয়ে প্রকাশ কৰিছে। শ্রী গগৈয়ে আজি সামাজিক মাধ্যমযোগে ৰাইজৰ দলৰ সৈতে মিত্রতা সন্দৰ্ভত কোনো সিদ্ধান্ত হোৱা নাই আৰু সদ্যহতে এই সম্পর্কীয় আলোচনাৰ পৰা বিৰত থকা হৈছে বুলি উল্লেখ কৰিছে। অসম গণ পৰিষদ দলে দুই এদিনতে প্রার্থী তালিকা প্রকাশ কৰিব বুলি দলৰ সভাপতি অতুল বৰাই ইতিমধ্যে প্রকাশ কৰিছে। মিত্রতা সন্দৰ্ভত এতিয়াও চূড়ান্ত সিদ্ধান্ত হোৱা নাই বুলি তেওঁ উল্লেখ কৰে। বিপিএফে নির্বাচনৰ দিন ঘোষণা কৰা হোৱাৰ পাচত প্রার্থীৰ তালিকা ঘোষণা কৰিব বুলি প্রকাশ কৰিছে। চিৰাং জিলাৰ কাজলগাঁৱত আজি বি পি এফ দলে সমাগত নির্বাচনৰ প্রস্তুতি সন্দৰ্ভত এখন বৈঠকত মিলিত হয়। এই বৈঠকত বি পি এফে বিটিচিৰ ১৫ টা সমষ্টিতে নির্বাচন খেলিব বুলি দলৰ মুৰব্বী হাগ্রামা মহিলাৰীয়ে প্রকাশ কৰে।

০০০০০

উচ্চতম ন্যায়ালয়ে দেশত প্রথমবাৰৰ বাবে ইচ্ছা মৃত্যুৰ অনুমতি প্রদান কৰিছে। ন্যায়ালয়ে প্রায় ১২ বছৰ ধৰি সংজ্ঞাহীন আৰু সম্পূর্ণ অক্ষম অৱস্থাত চিকিৎসাধীন হৈ থকা হৰিশ ৰাণা নামৰ এগৰাকী ব্যক্তিৰ কৃত্রিম জীৱনৰক্ষা প্রণালী বন্ধ কৰাত অনুমতি প্রদান কৰিছে। ২০১৩ চনত চতুর্থ মহলাৰ পৰা পৰি মূৰত গুৰুতৰভাৱে আঘাতপ্রাপ্ত হোৱা ৩২ বছৰীয়া লোকজন দিল্লীৰ অখিল ভাৰতীয় চিকিৎসা বিজ্ঞান প্রতিষ্ঠান- এইমছত কৃত্রিম জীৱনৰক্ষা প্রণালীৰ সহায়ত চিকিৎসাধীন হৈ আছিল। উল্লেখযোগ্য যে বিগত সময়ছোৱাত হৰিশ ৰাণাৰ কৃত্রিম জীৱনৰক্ষা প্রণালী বন্ধ কৰাৰ অনুমতি বিচাৰি তেওঁৰ পৰিয়ালে আদালতত কেইবাবাৰো আবেদন দাখিল কৰিছিল। এই সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ এগৰাকী অধিবক্তাই এইদৰে কয়—

**বাইট (অধিবক্তা)**

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈৰ পৰা দুদিনীয়া ভ্ৰমণসূচীৰে অসম ভ্ৰমণ কৰিব। এই উপলক্ষে কোকৰাঝাৰ, কামৰূপ মহানগৰ, কাছাৰকে ধৰি সংশ্লিষ্ট জিলা কেইখনত প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰাখিছে। আজি কোকৰাঝাৰ ভ্ৰমণ সন্দৰ্ভত শাসনাধিষ্ঠিত বিপিএফ দলে এখন বৈঠকৰ আয়োজন কৰে। এই বৈঠকত প্ৰাক্তন মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী চৰণ বড়ো আৰু দলৰ কেইবাগৰাকী সদস্য উপস্থিত থাকে। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ৩৭ হাজাৰ ৫০০ কোটি ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প মুকলি কৰিব আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে প্ৰথমে কোকৰাঝাৰত এখন জনসভাত অংশ লৈ ৪ হাজাৰ ৫৭৪ কোটি টকাৰ আন্তঃগাঁথনি প্ৰকল্প মুকলি আৰু আধাৰশিলা স্থাপন কৰিব। কোকৰাঝাৰৰ পৰা প্ৰধানমন্ত্ৰী গুৱাহাটীলৈ আহিব আৰু গুৱাহাটীত তেওঁ ৮ হাজাৰ ৮৪১ কোটি টকাৰ এলানি প্ৰকল্প জনসাধাৰণৰ বাবে উৎসৰ্গা কৰিব আৰু কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে ৭৮০ কোটি টকা ব্যয় সাপেক্ষ নুমলীগড়-শিলিগুৰিত প্ৰডাক্ট পাইপ লাইনৰ ক্ষমতা বৃদ্ধি প্ৰকল্প উদ্বোধন কৰিব। তেওঁ লগতে ৩ হাজাৰ ৬৩৩ কোটি টকা ব্যয় সাপেক্ষ তিনিচুকীয়া-ফৰকাটিং দ্বৈত ৰে'ল লাইন আৰু এহেজাৰ ১৮০ কোটি ব্যয়েৰে নিৰ্মাণ কৰা চাপৰমুখ-ডিব্ৰুগড় ৰে'লপথ বৈদ্যুতিকীকৰণ ৰে'লপথ প্ৰকল্প মুকলি কৰিব। তেওঁ ৰাজ্যৰ ২০ হাজাৰ চাহ শ্ৰমিকক ভূমিপট্টা বিতৰণৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে পশ্চিম কাৰ্বি আংলঙত দুহেজাৰ ৩২০ কোটি টকা ব্যয় সাপেক্ষ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদন প্ৰক্ৰিয়াৰো শুভাৰম্ভ কৰিব। ১৪ মাৰ্চত শিলচৰত শ্ৰীমোদীয়ে ২৪ হাজাৰ ৫০৫ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব।

১৫ মাৰ্চত গৃহমন্ত্ৰী অমিত শ্বাহ অসমলৈ আহিব। সেইদিনা তেওঁ দিনৰ ১০ বজাত প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় মুকলি কৰিব। দিনৰ ১১ বজাত তেওঁ বিজেপিয়ে আয়োজন কৰা যুৱ সন্মিলনত অংশগ্ৰহণ কৰিব।

ooooo

দেশৰ বিভিন্ন প্ৰান্তত পৰহিলৈ ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। দক্ষিণ শালমাৰা মানকাচৰ জিলাতো লোক আদালতৰ বাবে প্ৰস্তুতি চলিছে। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী আৰু অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত জিলাখনৰ হাটশিঙিমাৰীৰ ফেকামাৰীত লোকআদালত অনুষ্ঠিত হ'ব। হাটশিঙিমাৰীৰ জিলা সত্ৰ ন্যায়াধীশৰ আদালতত হ'বলগীয়া এই কাৰ্যসূচীত ফৌজদাৰী, দেৱানী, পাৰিবাৰিক আৰু ৰাজহ সক্ৰান্তীয় গোচৰৰ লগতে পথ দুৰ্ঘটনা সংক্ৰান্তীয় গোচৰ, বেংকৰ ঋণ আদি বিষয় সমূহ খৰতকীয়াকৈ নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰা হ'ব। ইচ্ছুক ব্যক্তি সকলে এই সন্দৰ্ভত অধিক তথ্যৰ বাবে জিলা আইন সেৱা প্ৰাধিকাৰী কাৰ্য্যালয়ত যোগাযোগ কৰিব পাৰিব বুলি জিলা আইন সেৱা প্ৰাধিকাৰী সচিব জয়ন্ত কুমাৰ শইকীয়াই প্ৰকাশ কৰে।

**(বাইট)**

ooooo

অসম আৰক্ষীৰ বিশেষ বাহিনীয়ে জেহাদী সংগঠনৰ সৈতে জড়িত থকাৰ অভিযোগত দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। বৰপেটা আৰু বজালীত অভিযান চলাই গ্ৰেপ্তাৰ কৰা এই লোক দুজন চাহিদুল ইছলাম আৰু জাহিনুৰ ইছলাম বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। জেহাদী সংগঠন আনছাৰুল্লা বাংলা টীম আৰু জামাতুল মুজাহিদীন কাম কৰাৰ তথ্যৰ আধাৰত আৰক্ষীয়ে দুয়োকে গ্ৰেপ্তাৰ কৰে। উল্লেখযোগ্য যে পূৰ্বে জেহাদী কাৰ্য্যকলাপৰ বিৰুদ্ধে অভিযান চলাই আৰক্ষীয়ে ১৬ জন লোকক গ্ৰেপ্তাৰ কৰিছিল।

ooooo

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ ২৬ সংখ্যক সমাৱৰ্তন আজি বিশ্ববিদ্যালয়খনৰ যোৰহাটস্থিত মূল চৌহদৰ মাধৱ চন্দ্ৰ দাস সোঁৱৰণী প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ আচাৰ্য্য লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই সমাৱৰ্তনত অংশলৈ দিয়া ভাষণত ভাৰতীয় সভ্যতা আৰু সংস্কৃতি কৃষিৰ মাজত অন্তৰ্নিহিত হৈ আছে বুলি মন্তব্য কৰে। তেওঁ লগতে ডিগ্ৰীৰ প্ৰমাণপত্ৰ লাভ কৰিবলগীয়া শিক্ষাৰ্থী সকলক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল

বৰা, বিশ্ববিদ্যালয় খনৰ উপাচাৰ্য্য ড০ বিদ্যুৎ চন্দন ডেকা আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই অনুষ্ঠানত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰে। সমাৱৰ্তনত অৰুণাচল প্ৰদেশৰ বনৌষধি চিকিৎসা বিশেষজ্ঞ য়ানুঙ জেমহ্ লীগক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হয়।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২৪ সংখ্যক সমাৱৰ্তন কাইলৈ অনুষ্ঠিত হ'ব। ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য্য লক্ষ্মণ প্ৰসাদ আচাৰ্য্যৰ সভাপতিত্বত হ'বলগীয়া সমাৰ্বতন কাৰ্য্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানতে বিশিষ্ট শল্য চিকিৎসক সৰ্বেশ্বৰ ভূঞাক ডক্টৰ অৱ চাইন্স আৰু অৰুণাচল প্ৰদেশৰ প্ৰখ্যাত সাহিত্যিক, সাংবাদিক সাহিত্য অকাডেমী প্ৰাপক পদ্মশ্ৰী মামাং দাইক ডি লিট সন্মান প্ৰদান কৰা হ'ব।

০০০০০

অসম ৰাজ্যিক চিৰিয়াখানা তথা উদ্ভিদ উদ্যানৰ আধুনিকীকৰণৰ বাবে ৰাজ্যৰ লোক নিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তাৰ কাৰ্য্যালয়ত ৩৪৫ কোটি ৬৭ লাখ ৫০ হাজাৰ টকাৰ মূল্যৰ ৱৰ্ক অৰ্ডাৰ প্ৰদান কৰিছে। এখন ৰাজহুৱা স্বাৰ্থ জড়িত আবেদনৰ শুনানী কালত চিৰিয়াখানাৰ মাণ্ডলিক বন বিষয়াই শপতনামাৰ জৰিয়তে গুৱাহাটী উচ্চ ন্যায়ালয়ত এই তথ্য প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে চিৰিয়াখানাত থকা জীৱ-জন্তুৰ বাবে পৰ্য্যাপ্ত সা-সুবিধাৰ অভাৱ বুলি উচ্চ ন্যায়ালয়ত দাখিল কৰা এখন আবেদনৰ শুনানি কালত এই তথ্য প্ৰকাশ কৰা হৈছে।

০০০০০

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডা০ ৰণোজ পেগুৱে আজি ধেমাজি আৰু লখিমপুৰত কেইবাটাও প্ৰকল্প মুকলি কৰে। ডা০ পেগুৱে লখিমপুৰ চহৰত জনজাতীয় পৰিক্ৰমা বিভাগে ২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এটা জিৰণি গৃহ মুকলি কৰে। এই ব্যৱস্থাই অতি ভিতৰুৱা অঞ্চলৰ পৰা লখিমপুৰ চহৰলৈ বিভিন্ন কামত অহা জনজাতীয় শিক্ষাৰ্থী তথা বিভিন্ন লোকক উপকৃত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। ডা০ পেগুৱে নাওবৈচা সমষ্টিৰ তুৱাৰাম নাথ মহাবিদ্যালয়ত নতুনকৈ নিৰ্মাণ কৰা ছাত্ৰী নিবাসো উদ্বোধন কৰে। তেওঁ লগতে লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ত ছাত্ৰসকলৰ সুবিধাৰ্থে এটা ছাত্ৰাবাস মুকলি কৰে।

শিক্ষামন্ত্ৰীগৰাকীয়ে আজি ধেমাজি জিলাৰ বৰদলনিত এটা উপ-স্বাস্থ্য কেন্দ্ৰ উদ্বোধন কৰে। প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযানৰ অধীনত ৪৬ লাখ টকা ব্যয়সাপেক্ষে এই স্বাস্থ্য কেন্দ্ৰটো নিৰ্মাণ কৰা হৈছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে নৱনিৰ্মিত এই কেন্দ্ৰটোৱে স্থানীয় ৰাইজক সুলভ প্ৰাথমিক স্বাস্থ্য প্ৰদানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০

নগাঁৱৰ ননৈত আজি জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই এখন মামা বজাৰ মুকলি কৰে। বজাৰ মুকলি অনুষ্ঠানত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীও উপস্থিত থাকে।

০০০০০

সমাপ্ত